# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ চতুৰ্থ** **বিষয় ঃ ভাষা-১ (অসমীয়া)** **তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ, ২০১৮) ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - পঠন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকন ফলাফলৰ উপক্ষেত্ৰ ঃ**

- ⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰযুক্ত শব্দ বাক্য, দফা আদি শুদ্ধকৈ পঢ়িব পৰা।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে অভিধান চাই টান শব্দৰ অৰ্থ বুজিব পৰা।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষণ-শিকন সামগ্ৰীৰ সহায়ত পাঠৰ অন্তৰ্ভূক্ত আৰু পাঠ বহিৰ্ভূত পাঠ (সহজ-সৰল গল্প, সাধু, কাহিনী আদি)শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে সলসলীয়াকৈ পঢ়ি বুজিব পৰা।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি যোৱা সাধু, গল্প কাহিনী পঢ়াৰ পাছত সেই সাধু, গল্প আৰু কাহিনী আদিৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ দিব পৰা।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে নামফলক, পোষ্টাৰ, নিৰ্দেশনা কাৰ্ড আদি পঢ়ি বুজি পোৱা।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে ছবি পৰ্যৱেক্ষণ কৰি ক'ব পৰা (বাক্য সজাই পৰাই কব পৰা) ।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ -২০১৮) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) অসমৰ কাঁহ শিল্প | - পাঠ নং ৯ |
| খ) বৰদৈচিলা | - পাঠ নং ১০ |
| গ) ব্ৰহ্মপুত্ৰ | - পাঠ নং ১১ |
| ঘ) আজৰি পৰৰ কাম | - পাঠ নং ১২ |

**পাতনি ঃ**

এই সমলটোত “শিক্ষাৰ অধিকাৰ আইন ২০০৯” অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুৱাবলৈ আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

অসম চৰকাৰৰ উদ্যোগত বিদ্যালয়সমূহত দ্বিতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ তিনিটা পৰ্যায়ত গুণোৎসৱ ২০১৭ অনুষ্ঠিত হৈ গৈছে। এই গুণোৎসৱৰ ফলাফল আৰু ৰাষ্ট্ৰীয় পাৰদৰ্শিতা জৰীপ (NAS - National Achievement Survey) ৰ ফলাফল পৰ্যৱেক্ষণ কৰি দেখা গৈছে যে চতুৰ্থ শ্ৰেণীত পঠনৰ ক্ষেত্ৰত বহু সংখ্যক ছাত্ৰ-ছাত্ৰী পিছ পৰি আছে। ছাত্ৰ-ছাত্ৰীয়ে পাঠৰ অন্তৰ্ভূক্ত আৰু পাঠ বহিৰ্ভূত যুক্তাক্ষৰযুক্ত সহজ-সৰল গল্প, সাধু, কাহিনী আদি শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে সলসলীয়াকৈ পঢ়িব নোৱাৰে আৰু বুজি নাপায়। নামফলক, পোষ্টাৰ, নিৰ্দেশনা কাৰ্ড আদি পঢ়ি বুজি নাপায় আৰু পঢ়ি যোৱা সাধু, গল্প, কাহিনী আদি পঢ়াৰ পাছত সেই সাধু, গল্প আৰু কাহিনীৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ দিব নোৱাৰে, ছবি পৰ্যৱেক্ষণ কৰি বাক্য সজাই-পৰাই লিখিব নোৱাৰে আৰু অভিধান চাই শব্দৰ অৰ্থ উলিয়াব নোৱাৰে। এইটো বৰ পৰিতাপৰ কথা। সেইবাবে পঠনত থকা পঠন অৰ্হতা আয়ত্তকৰণৰ ক্ষেত্ৰত বাধা দিয়া শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰবোৰ চিনি উলিয়াই উক্ত ক্ষেত্ৰসমূহৰ বিকাশ কৰাৰ প্ৰয়োজন আহি পৰিছে।পঠন হৈছে শিক্ষা আহৰণৰ এক গুৰুত্বপূৰ্ণ কৌশল। পঠনৰ উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ সামৰ্থ্য বঢ়োৱা। ছাত্ৰ-ছাত্ৰীৰ জীৱনত লাভ কৰা কৃতকাৰ্যতাৰ মূল ভেটি হৈছে পঠন। পঠন বুলিলে অৰ্থবোধৰ সৈতে পঢ়া কথাটোকে বুজায়। ছাত্ৰ-ছাত্ৰীক শব্দ আৰু বাক্যৰ অৰ্থোদ্ধাৰ কৰাত সহায় কৰে পঠনে। লিখিত পাঠৰ পূৰ্ণ অৰ্থোদ্ধাৰ কৰাত সহায় কৰে শুদ্ধ পঠন দক্ষতাই। ইয়াৰ উপৰি পঠনে ধাৰণা

গঠন আৰু ভাবৰ সংযোজন ঘটাই মনত ৰখাতো সহায় কৰে। ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা - ২০০৫ (NCF-2005) ত উল্লেখ কৰা প্ৰত্যাশা অনুসৰি ছাত্ৰ-ছাত্ৰীয়ে পঠন যোগে প্ৰয়োজনীয় জ্ঞান আহৰণ কৰি বাস্তৱ জীৱনত এই জ্ঞান প্ৰয়োগ কৰা উচিত। সেই ক্ষেত্ৰত আমি ক'ব পাৰো যে, ছাত্ৰ-ছাত্ৰীয়ে পঠন কৰি যি জ্ঞান লাভ কৰে সেই জ্ঞান বাস্তৱ জীৱনত প্ৰয়োগ কৰা উচিত। এই পঠন কৌশলৰ বিকাশ কৰিবলৈ হ'লে যথেষ্ট অনুশীলন আৰু ক্ৰিয়া-কলাপ কৰাৰ প্ৰয়োজন। পাঠ্যপুথিত উল্লেখ থকা অনুশীলন আৰু ক্ৰিয়া-কলাপৰ উপৰি আমি নিজাববীয়াকৈ পঠন কৌশলৰ বিকাশৰ বাবে কিছুমান অনুশীলন, ক্ৰিয়া-কলাপ, খেল আদি ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিব পাৰোঁ। প্ৰণালীবদ্ধ পঠন কৌশল আয়ত্তকৰণত গুৰুত্ব দি আমি শিক্ষক হিচাপে শ্ৰেণীকোঠাত এটা আনন্দদায়ক আৰু উপযুক্ত শিকন পৰিৱেশৰ সৃষ্টি কৰি, পৰিকল্পনা, ক্ৰিয়া-কলাপ, খেল আৰু ক্ষেত্ৰ অধ্যয়ন আদিৰ জৰিয়তে শিকন ফলাফলৰ ধূসৰ ক্ষেত্ৰ আঁতৰাই ছাত্ৰ-ছাত্ৰীৰ পঠনৰ বিকাশ সাধন কৰিব পৰাকৈ এই সমলটো প্ৰস্তুত কৰাৰ চেষ্টা কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলৰ গুৰুত্ব অপৰিসীম ঃ**

- ⇨ পঠনে মনৰ পৰিধিৰ বিকাশ ঘটোৱাৰ লগতে কল্পনা শক্তিৰো বিকাশ ঘটায়।
- ⇨ পঠনৰ জৰিয়তে বানান শুদ্ধ হয়।
- ⇨ পঠনৰ জৰিয়তে লিখনৰ ধাৰণা স্পষ্ট হয়।
- ⇨ ছাত্ৰ-ছাত্ৰীসকল পঠনৰ জৰিয়তে নতুন জ্ঞানৰ লগত পৰিচয় হয়। তেওঁলোকে তাৰ পৰা আনন্দ উপভোগ কৰাৰ লগতে বিবেচনা, চিন্তন, মনন আদি যোগ্যতা লাভ কৰিব পাৰে।
- ⇨ পঠনে ছাত্ৰ-ছাত্ৰীক শব্দ আৰু বাক্যৰ অৰ্থোদ্ধাৰ কৰাত সহায় কৰে।
- ⇨ নিজৰ পাঠ্যপুথিৰ উপৰি পাঠবহিৰ্ভূত আন ছপা সামগ্ৰী পঢ়ি দৈনন্দিন জীৱনত সমস্যা সমূহৰ সমাধানৰ চিন্তা চৰ্চা কৰাত পঠনে এক গুৰুত্বপূৰ্ণ ভূমিকা লয়।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে পঢ়াখিনি বুজি, নতুন চিন্তা ধাৰাৰে পৰিপুষ্ট হৈ শ্ৰেণীকোঠাটো নতুন চিন্তাধাৰাৰে গতিশীল কৰিব পাৰে।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে পঠনৰ জৰিয়তে যুক্তাক্ষৰযুক্ত শব্দ, বাক্য আৰু দফাৰ ধাৰণা শুদ্ধ আৰু স্পষ্টকৈ আয়ত্ত কৰিব পাৰে আৰু যতি বিৰাম চিহ্ন, প্ৰশ্নবোধক আৰু ভাৱবোধক চিহ্ন চিনি পঢ়া কথাৰ যথাৰ্থ অৰ্থ বুজিব পাৰে ।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে নামফলক, পোষ্টাৰ, নিৰ্দেশনা আদি পঢ়ি বুজি পাব পাৰে।
- ⇨ তেওঁলোকে পঠনৰ জৰিয়তে পাঠভিত্তিক আৰু পাঠবহিৰ্ভূত পাঠৰ বাক্য, দফা পঢ়ি, বুজি সেই পাঠৰ দফাবোৰৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ দিবলৈ সামৰ্থ্য হ'ব পাৰে।
- ⇨ শিক্ষকে পঠন-কৌশল নিৰীক্ষণ কৰি যথোপযুক্তভাৱে পঠনৰ জৰিয়তে মান নিৰূপণ কৰিবলৈ সামৰ্থ্য হ'ব পাৰে।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম?**

- ⇨ এই সমল সামগ্ৰী অধ্যয়ন কৰি শিক্ষক হিচাপে আমি -
  ছাত্ৰ-ছাত্ৰীৰ পঠন কৌশলৰ পদ্ধতিগত বিকাশৰ বাবে ছাত্ৰ-ছাত্ৰীক জড়িতকৰণ (engage) আৰু অনুসন্ধান (explore), বিষয়বস্তুৰ ব্যাখ্যা (explain), বিষয়বস্তুৰ বিস্তৃত (elaborate) জ্ঞান লাভ আৰু মূল্যায়ন (evaluation) - এইধৰণৰ বিভিন্ন স্তৰৰ যোগেদি ছাত্ৰ-ছাত্ৰীক অনুশীলনৰ জৰিয়তে বিভিন্ন ক্ৰিয়া-কলাপত প্ৰবৃত্ত কৰোৱাৰ পৰিকল্পনা কৰিব পাৰিম।
- ⇨ ছাত্ৰ-ছাত্ৰীক ক্ৰিয়া-কলাপৰ সৈতে জড়িত কৰি তেওঁলোকৰ হতুৱাই পদ্ধতিগত পঠনৰ অনুশীলন কৰাব পাৰিম।
- ⇨ একক আৰু দলীয় ক্ৰিয়া-কলাপৰ মাজেৰে আনন্দদায়ক পৰিৱেশত পঠনৰ ক্ষেত্ৰত থকা শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশৰ বাবে অভ্যাস কৰাবপাৰিম।
- ⇨ আত্মমূল্যায়নৰ লগতে তুলনামূলক অধ্যয়ন কৰাৰ বাবে সুযোগ পাব পাৰিম।
- ⇨ নতুন নতুন চিন্তাধাৰাৰে শ্ৰেণীকোঠা গতিশীল কৰিব পাৰিম।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে আহৰণ কৰা পঠনবোধৰ সৈতে বাস্তৱ জীৱনৰ সম্বন্ধ স্থাপন কৰাৰ দক্ষতা আহৰণ কৰিব পাৰিছেনে নাই তাৰ মূল্যায়ন কৰিব পাৰিম।

**এই সমলসামগ্ৰীত ছাত্ৰ-ছাত্ৰীয়ে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল -**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ১) যুক্তাক্ষৰযুক্ত শব্দ, বাক্য, দফা আদি পঢ়িব পৰা | ⇨ যুক্তাক্ষৰযুক্ত পাঠ্যপুথিৰ দফা, যুক্তাক্ষৰযুক্ত শব্দ থকা বাতৰি-কাকতৰ সাধু, আলোচনীৰ গল্প, আবিষ্কাৰ মূলক কাহিনী | ক্ৰিয়া-কলাপ | ⇨ পাঠ্যপুথিত থকা 'অসমৰ কাহঁ শিল্প' পাঠৰ দফা এটা বাছি পঢ়া।<br>⇨ বাতৰি-কাকত, আলোচনীৰ গল্প, আবিষ্কাৰমূলক কাহিনী আদি শিকন কোণৰ পৰা লৈ পঢ়া। | অ বি ৰ ত আ ৰু সা ম গ্ৰি ক মূ ল্যা য় ন |
| ২) অভিধান চাই শব্দৰ অৰ্থ বুজিব পৰা | ⇨ অভিধান | যুৰীয়া ক্ৰিয়া-কলাপ | ⇨ অভিধান চাই তলত দিয়া শব্দবোৰৰ অৰ্থ উলিয়াই পঢ়া— ফৰিংফুটা, সাদৃশ্য, মসৃণ, ক্ষণস্থায়ী, মহাত্মা। | |
| ৩) পাঠৰ অন্তৰ্ভূক্ত আৰু পাঠ বহিৰ্ভূত পাঠ পঢ়ি বুজি পোৱা | ⇨ পাঠ্যপুথি, ঈছপৰ সাধু, পঞ্চতন্ত্ৰৰ সাধুবোৰ। | ক্ৰিয়া-কলাপ | ⇨পাঠ্যপুথিৰ যিকোনো এটা সাধু পঢ়ি কি বুজিলা কোৱা।<br>⇨ঈছপৰ সাধু, পঞ্চতন্ত্ৰৰ সাধুৰ পৰা যিকোনো সাধু বাছি পঢ়ি নীতিশিক্ষা কি পালা কোৱা। | |
| ৪) নামফলক, পোষ্টাৰ আৰু নিৰ্দেশনা কাৰ্ড পঢ়ি বুজি পোৱা | ⇨ নামফলক, পোষ্টাৰ কাৰ্ড, নিৰ্দেশনা কাৰ্ড, | ক্ৰিয়া-কলাপ | ⇨তোমাৰ ঘৰৰ নামফলকটো পঢ়া।<br>⇨তলত দিয়া বিষয় দুটাৰ বিষয়ে পোষ্টাৰ আৰু নিৰ্দেশনা কাৰ্ড প্ৰস্তুত কৰি পঢ়া — 'প্ৰদুষণ', 'পানী' | |
| ৫) ছবি পৰ্যৱেক্ষণ কৰি পঢ়িব পৰা | ⇨ ছবি কাৰ্ড | পৰ্যৱেক্ষণ | ⇨তলত দিয়া ছবিবোৰ পৰ্যৱেক্ষণ কৰি একাদিক্ৰমে সেই ছবিবোৰে বুজোৱা কথাখিনি পঢ়া আৰু কোৱা।<br> | |

**পঠন কৌশল বিকাশৰ বাবে লোৱা ব্যৱস্থাৱলী ঃ**

শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধন কৰিবলৈ তলত দিয়াৰ দৰে ক্ষেত্ৰ অধ্যয়ন, ক্ৰিয়া-কলাপ আৰু অনুশীলন আদিৰ ব্যৱস্থা লোৱা হৈছে।

তলত এইবোৰৰ বৰ্ণনা কৰা হ'ল —

**ক্ষেত্ৰ অধ্যয়ন (Case Study)**

আনোৱাৰা বেগম গোৱালপাৰা জিলাৰ এখন মধ্য ইংৰাজী বিদ্যালয়ৰ ভাষা বিষয়ৰ শিক্ষয়িত্ৰী।

শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীয়ে স্পষ্ট, শুদ্ধ আৰু সলসলীয়াকৈ পঢ়িবলৈ পাৰিছেনে নাই আৰু পঢ়ি বুজি পাইছেনে নাই চোৱাৰ উদ্দেশ্যে শ্ৰেণীকোঠাত আদৰ্শ-পঠন দি ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ দি বেগম বাইদেৱে মন কৰিছিল যে বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধকৈ যুক্তাক্ষৰবোৰ উচ্চাৰণ কৰি পঢ়িব পৰা নাই আৰু পঢ়ি বুজি পোৱা নাই। এই ক্ষেত্ৰত শিক্ষয়িত্ৰী হিচাপে বেগম বাইদেৱে কেনে ধৰণৰ ব্যৱস্থা লৈছিল চাওঁ আহক—

বেগম বাইদেৱে একে দিনাই ব্যৱস্থা লোৱা নাছিল। তেখেতে এই ব্যৱস্থা কৰোঁতে ৩-৪ দিন সময় লাগিছিল। আনদিনাৰ দৰে তেখেতে কাণেৰে কম শুনা ছাত্ৰী কাকলিক দলৰ সমুখৰ বেঞ্চত বহুওৱাৰ ব্যৱস্থা কৰিছিল।

**প্ৰস্তুতি ঃ** পাঠ্যপুথি, যুক্তাক্ষৰ কাৰ্ড, অভিধান।

ছাত্ৰ-ছাত্ৰীক দলত ভগাই লৈ যুক্তাক্ষৰ কাৰ্ডবোৰ বেগম বাইদেৱে দলবোৰৰ মাজত ভগাই দিছিল। ইয়াৰ পাছত পঢ়াবলগীয়া পাঠত থকা যুক্তাক্ষৰকেইটা বোৰ্ডত লিখি, ভাঙি দি, নিৰ্দেশক দণ্ড দেখুৱাই দি দি লগে লগে ডাঙৰ ডাঙৰকৈ আৰু স্পষ্টকৈ শুদ্ধ উচ্চাৰণেৰে পঢ়ি দিছিল। কেইবাবাৰো এইদৰে কৰাৰ পাছত তেখেতে ছাত্ৰ-ছাত্ৰীক দলত নিজে নিজে পঢ়িবলৈ দিছিল। দুই এগৰাকী লেহেমীয়া ছাত্ৰ-ছাত্ৰীক বেছিকৈ অভ্যাস কৰিবলৈ দিছিল। এইদৰে কৰাৰ পাছত তেখেতে নিৰীক্ষণ কৰিছিল যে ছাত্ৰ-ছাত্ৰীৰ যুক্তাক্ষৰৰ ধাৰণা স্পষ্ট হৈছে।

যুক্তাক্ষৰৰ ধাৰণা স্পষ্ট হোৱাৰ পাছত শুদ্ধ উচ্চাৰণেৰে সলসলীয়াকৈ ছাত্ৰ-ছাত্ৰীয়ে যাতে পঢ়িব পাৰে তাৰ বাবে পাঠ নং ৯ (অসমৰ কাঁহ শিল্প) টো আৰ্হি হিচাপে লৈ আদৰ্শ পঠন দিছিল। পঠনৰ সময়ত পোৱা টান শব্দবোৰৰ অৰ্থবোৰ তেখেতে অভিধান চাই কৈ গৈছিল আৰু ছাত্ৰ-ছাত্ৰীকো অভিধান চাবলৈ দি বোৰ্ডত লিখি গৈছিল। এইদৰে কেইবাবাৰো যেতিয়া আদৰ্শ পঠন দি ছাত্ৰ-ছাত্ৰীক দলত পঢ়িবলৈ দিছিল, তেখেতে মন কৰিছিল যে, কিছুমান ছাত্ৰ-ছাত্ৰীয়ে কেৱল মুখেৰে মাতিহে গৈছিল আৰু বাক্যত নথকা শব্দও উচ্চাৰণ কৰি গৈছিল। পঢ়ি যোৱা দফাটোৰ বিষয়ে প্ৰশ্ন সোধাত তেওঁলোকে উত্তৰ দিব নোৱাৰিছিল বাবে এই নোৰৰা ছাত্ৰ-ছাত্ৰীসকলক তেখেতে বাৰে বাৰে অভ্যাস কৰোৱাইছিল। তেখেতে বুজাই দিছিল যে পঢ়োঁতে সদায় একাগ্ৰতাৰে পঢ়িব লাগে। এইদৰে শব্দৰ অৰ্থৰ লগে লগে বাক্যত অন্তৰ্নিহিত অৰ্থবোৰ তেখেতে বুজাই দি দফাটো বুজি পাইছিল নে নাই প্ৰশ্ন সুধি বোধৰ পৰ্যৱেক্ষণ কৰিছিল, লগতে পাঠত থকা ছবিবোৰ পৰ্যৱেক্ষণ কৰিবলৈ দিছিল।

এইদৰে কাৰ্যবোৰ কেইবাদিনো (৩/৪ দিন) কৰাৰ পাছত গোটেই পাঠটো শেষ হোৱাৰ পাছত তেখেতে ছাত্ৰ-ছাত্ৰীৰ মান নিৰূপণ কৰিছিল। ছাত্ৰ-ছাত্ৰীৰ বোধৰ দৃঢ়ীকৰণৰ বাবে বেগম বাইদেৱে নামফলক, পোষ্টাৰ, নিৰ্দেশনা কাৰ্ড, বাতৰি-কাকত, আলোচনীৰ প্ৰবন্ধ আদিৰ সহায় লৈছিল। পাঠৰ শেষত বেগম বাইদেৱে মান নিৰূপণ কৰি গৃহকৰ্ম দিছিল।

কাণেৰে কম শুনা কাকলিক বাৰে বাৰে পঢ়িবলৈ দি মান নিৰূপণৰ বাবে বেগম বাইদেৱে অলপ সময় বেছিকৈ লৈছিল।

**চিন্তা কৰি চাওঁ আহক ঃ**

⇨ বেগম বাইদেৱে কৰা শিক্ষণ-শিকন পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মনোযোগ আকৰ্ষণ কৰিব পাৰিছিলনে?

⇨ পাঠ (পাঠৰ অন্তৰ্গত বা পাঠবহিৰ্ভূত) এটা পঢ়ি ছাত্ৰ-ছাত্ৰীৰ বোধ পৰীক্ষাৰ বাবে আপুনি কি ব্যৱস্থা ল'ব ভাবিছে নে?

⇨ শিক্ষণ-শিকন প্ৰক্ৰিয়াত পোষ্টাৰ, নিৰ্দেশনা কাৰ্ড, বাতৰি-কাকত আদি ব্যৱহাৰ সম্পৰ্কে আপোনাৰ মতামত কি? সময় প্ৰযোজ্য হ'বনে?

⇨ দুৰ্বল আৰু বিশেষভাৱে সক্ষম শিশুৰ বাবে আপুনি ব্যৱস্থা লয়নে?

⇨ শ্ৰেণীকোঠাত সকলো ছাত্ৰ-ছাত্ৰীয়ে দলীয় কাৰ্যত অংশ গ্ৰহণ কৰিছেনে নাই নিৰীক্ষণ কৰিছেনে?

বেগম বাইদেৱে কৰা ক্ৰিয়া-কলাপৰ আলমত শ্ৰেণীকোঠাত এটা ক্ৰিয়া-কলাপ কৰি চাব পাৰি নেকি চাওঁ আহক —

**ক্ৰিয়া-কলাপ -১ ঃ**

যুক্তাক্ষৰযুক্ত শব্দ থকা পাঠ পঢ়ি বুজিছে নে নাই তাৰ বাবে কৰিবলগীয়া ক্ৰিয়া-কলাপৰ বাবে তলত দিয়া শিক্ষণ-শিকন সামগ্ৰীসমূহ যতনাই ল'ব লাগিব—

সামগ্ৰী সমূহ —

⇨ পাঠ্যপুথি

⇨ যুক্তাক্ষৰ গঠন কৰা শব্দ কাৰ্ড।

⇨ যুক্তাক্ষৰযুক্ত শব্দ ভঙা কাৰ্ড।

⇨ অভিধান।

ছাত্ৰ-ছাত্ৰীয়ে দ্বিতীয় সাময়িকীত পঢ়ি অহা যুক্তাক্ষৰ সম্পৰ্কে সুধি পূৰ্বজ্ঞান পৰীক্ষা কৰি লৈ তেওঁলোকক ক্ৰিয়া-কলাপ কৰাবলৈ আগবাঢ়িব পাৰি।

⇨ প্ৰথমে ছাত্ৰ-ছাত্ৰীসকলক দলত ভাগ কৰি লৈ প্ৰতিটো দলক যুক্তাক্ষৰ কাৰ্ড সমূহ ভগাই দিয়াৰ পাছত ছাত্ৰ-ছাত্ৰীসকলৰ আগত পাঠ্যপুথিৰ ১১ নং পাঠটোৰ আদৰ্শ পঠন দিব পাৰি।

⇨ আদৰ্শ পঠন দিয়াৰ সময়ত এটা কথা মনত ৰাখিব লাগে যাতে সকলো ছাত্ৰ-ছাত্ৰীয়ে পঠনত অংশ গ্ৰহণ কৰে।

⇨ ইয়াৰ পিছত, পাঠত পোৱা যুক্তাক্ষৰসমূহ, কাৰ্ডবোৰত থকা যুক্তাক্ষৰৰ লগত মিলাই চাবলৈ দিব পাৰি।

⇨ মিলাই চোৱাৰ পাছত যুক্তাক্ষৰবোৰ বোৰ্ডত লিখি দি, ডাঙৰ ডাঙৰকৈ পঢ়ি দি, পাছত ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ দিব পাৰি।

⇨ ইয়াৰ পাছত যি সকল ছাত্ৰ-ছাত্ৰী লেহেমীয়া তেওঁলোকক অধিক অভ্যাস কৰিবলৈ দিব পাৰি।

⇨ যুক্তাক্ষৰবোৰ ভঙা আৰু গঠন কৰিব পৰা হোৱাৰ পাছত পাঠৰ দফাবোৰ এটা এটাকৈ আদৰ্শ পঠন দি ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ দিব পাৰি।

⇨ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধভাৱে পঠন কৰিব পাৰিছে নে নাই চাই লৈ, নোৱৰাসকলক পুনৰ অভ্যাসক কৰাব পাৰি আৰু ইয়াৰ পাছত দফাবোৰৰ বিষয়ে প্ৰশ্ন সুধি বুজিছেনে নাই চাব পাৰি।

দৃঢ়ীকৰণৰ বাবে যিকোনো সাধু লৈ, সলসলীয়া আৰু স্পষ্ট উচ্চাৰণ সহ ছাত্ৰ-ছাত্ৰীক পঠনৰ অভ্যাস কৰাব পাৰি। লগতে সময় সাপেক্ষে বাতৰি-কাকত বা আলোচনীৰ প্ৰবন্ধৰ দফাবোৰ একাদিক্ৰমে ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ দি ছাত্ৰ-ছাত্ৰীক পঠন কৌশল আয়ত্ত কৰাব পাৰি। ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীক প্ৰতিপুষ্টি দিব পাৰি। ছাত্ৰ-ছাত্ৰীৰ প্ৰতিপুষ্টি প্ৰদান কৰোঁতে তলত দিয়া দিশবোৰৰ প্ৰতি গুৰুত্ব দিয়া উচিত—

⇨ প্ৰথমে ছাত্ৰ-ছাত্ৰীক আৱশ্যকীয় শিকনৰ ওপৰত গুৰুত্ব দিব লাগে।

⇨ ছাত্ৰ-ছাত্ৰীয়ে কি কি ক্ষেত্ৰত উন্নতি সাধন কৰা প্ৰয়োজন সেই কথা জনাব লাগে।

⇨ উন্নত কৰিবলৈ কৰিবলগীয়া ক্ষেত্ৰবোৰ কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰিব লাগে।

⇨ শ্ৰেণীকোঠাত প্ৰয়োগ কৰিব পৰা যথোপযুক্ত ভাষা (appropriate language) ব্যৱহাৰ কৰিব লাগে।

⇨ সময়ৰ সদ্ব্যৱহাৰৰ প্ৰতি মন দিব লাগে।

**ক্ৰিয়া-কলাপ -২ ঃ**

পাঠৰ অন্তৰ্গত আৰু বহিৰ্ভূত পাঠ পঢ়ি ছাত্ৰ-ছাত্ৰীয়ে পঢ়াখিনি বুজি পাইছে নে নাই আৰু যদি বুজি পাইছে সেই বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিছেনে নাই সেয়া পৰীক্ষা কৰি চাবৰ বাবে তলত দিয়া ধৰণৰ ক্ৰিয়া-কলাপ কৰি চাব পাৰি।

**প্ৰস্তুতি ঃ** ক্ৰিয়া কলাপটোৰ বাবে তলত দিয়া প্ৰয়োজনীয় শিক্ষণ-শিকন সামগ্ৰীবোৰ যতনাই ল'ব লাগে।

⇨ পাঠ্যপুথি

⇨ ঈছপৰ সাধু

⇨ পঞ্চতন্ত্ৰৰ সাধু

ছাত্ৰ-ছাত্ৰীক ৬ টা দলত ভাগ কৰি দুটা দলক পাঠ্যপুথিৰ গল্প এটা, দুটা দলক ঈছপৰ সাধুৰ গল্প এটা আৰু দুটা দলক পঞ্চতন্ত্ৰৰ সাধু এটা উলিয়াই লৈ সাধুটোৰ আদৰ্শ পঠন দি, ছাত্ৰ-ছাত্ৰীক নীৰৱে শুনি থাকিবলৈ দিব লাগে। প্ৰথমে গল্প আৰু সাধুৰ শিৰোনামাটো ডাঙৰকৈ পঢ়ি গল্প বা সাধুটো কি হ'ব পাৰে ছাত্ৰ-ছাত্ৰীক অনুমান কৰিবলৈ দিব লাগে। ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীক ছবি সহ শব্দবোৰ দেখুৱাই যাব লাগে। পঢ়ি যাওঁতে লগে লগে ছবিবোৰৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰাব লাগে। ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীক দলগতভাৱে পঢ়িবলৈ দি, দলপতিক প্ৰথমে চাবলৈ দি, শিক্ষকে পিছত নিৰীক্ষণ কৰিব। গল্প, সাধু আৰু কাহিনী (তিনিটাৰ) প্ৰত্যেকৰে বিষয়ে তলত দিয়া ধৰণে প্ৰশ্ন সুধিব লাগে—

১। গল্প, সাধু আৰু কাহিনী প্ৰত্যেকৰে বিষয়বস্তুৰ সাৰমৰ্ম কি?
২। প্ৰধান চৰিত্ৰটো কি? তোমাক এই চৰিত্ৰই আকৰ্ষিত কৰিছেনে?
৩। বেয়া লগা চৰিত্ৰ, হাঁহি উঠা চৰিত্ৰ আছেনে? বিষয়বস্তুবোৰৰ নীতিশিক্ষা কি?
প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিলে বাৰে বাৰে প্ৰশ্ন সুধি বুজাই দিব লাগে।

**ক্ৰিয়া-কলাপ -৩ ঃ**
নামফলক, পোষ্টাৰ, নিৰ্দেশনা কাৰ্ড আদি পঢ়ি বুজিছেনে নাই চাবৰ বাবে তলত দিয়া ক্ৰিয়া-কলাপ কৰি চাব পাৰি। ইয়াৰ বাবে প্ৰয়োজনীয় শিক্ষণ-শিকন সামগ্ৰীসমূহ হ'ল —

⇨ নামফলক

⇨ পোষ্টাৰ আৰু নিৰ্দেশনা কাৰ্ড।

প্ৰথমে নামফলক, পোষ্টাৰ আৰু নামফলক নিৰ্দেশনা কাৰ্ডসমূহ ছাত্ৰ-ছাত্ৰীসকলক দেখুৱাই ছয়টা দলত ছাত্ৰ-ছাত্ৰীক ভাগ কৰি দুটা দলক নামফলক, দুটা দলক পোষ্টাৰ আৰু দুটা দলক নিৰ্দেশনা কাৰ্ডসমূহ ভগাই দি সেইবোৰ চাবলৈ দিব পাৰি। (যদি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৩০ জনতকৈ কম হয় ৪ জনীয়া সদস্যৰে দল গঠন কৰিব পাৰি)। তলত নামফলক, পোষ্টাৰ আৰু নিৰ্দেশনা কাৰ্ড সমূহৰ নমুনা সমূহ দেখুওৱা হ'ল —

**(ক) নামফলক ঃ** এইবোৰ ছাত্ৰ-ছাত্ৰীক নিজে নিজে পঢ়িবলৈ দিব পাৰি।

| ১ নং | ২ নং |
|---|---|
| নাম ঃ ড° বসুবন্ধু দত্ত<br>গৃহ নং - ১৪৫, নামঘৰ পথ,<br>ঠিকনা ঃ পংকজ নগৰ, বেলতলা, গুৱাহাটী,<br>জিলা ঃ কামৰূপ, অসম। | নাম ঃ সুস্মিতা কৰ্মকাৰ<br>গৃহ নং - ৫৫, কলেজ পথ<br>ঠিকনা ঃ বিদ্যানগৰ, নলবাৰী।<br>জিলা ঃ নলবাৰী, অসম। |

**(খ) পোষ্টাৰ ঃ** এইবোৰ ছাত্ৰ-ছাত্ৰীক পঢ়াৰ সুবিধা দি, বুজিলেনে নাই প্ৰশ্ন কৰি বোধ পৰীক্ষা কৰিব পাৰি।

⇨ পৰিয়ালৰ জ্যেষ্ঠ সদস্যক সন্মান কৰিব লাগে।

⇨ সময়ৰ সদ্ব্যৱহাৰ কৰিব লাগে।

⇨ 'চেষ্টাৰ অসাধ্য একো নাই' । [গতিকে কোনো কাম এবাৰ নোৱাৰিলে বাৰে বাৰে চেষ্টা কৰিলে সফলতা লাভ কৰিব পাৰি।]

⇨ "অভ্যাসৰ নৰ কৰ্ণপথে কৰে শৰ"

**(গ ) নিৰ্দেশনা কাৰ্ড ঃ এই**বোৰ বাকীথকা দল দুটাক দি, নিৰ্দেশনাবোৰ পঢ়ি দি, লগে লগে ২-৩ বাৰ বুজাই দি, সেইবোৰৰ বিষয়ে প্ৰশ্ন সুধি বোধ পৰীক্ষা কৰিব পাৰি। তলত নিৰ্দেশনা কাৰ্ডৰ নমুনা দিয়া হ'ল —

⇨ য'তে ত'তে থু নেপেলাবা।

⇨ মিছা কথা নক'বা।

⇨ ৰাস্তাৰে খোজকাঢ়োঁতে সদায় বাওঁফালে খোজ কাঢ়িবা।

⇨ পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিবা।

⇨ সদায় বিশুদ্ধ পানী খাবা।

**এইদৰে নামফলক, পোষ্টাৰ, নিৰ্দেশনা কাৰ্ডবোৰ** দেখুওৱাৰ পাছত তলত দিয়া প্ৰশ্নবোৰ সুধি ছাত্ৰ-ছাত্ৰীৰ বোধৰ মান নিৰূপণ কৰিব পাৰি। নামফলকৰ ক্ষেত্ৰত নিৰ্ধাৰিত প্ৰশ্ন ঃ—

১ নং নাম ফলকৰ বাবে—

২ নং নাম ফলকৰ বাবে—

⇨ গৰাকীৰ নাম কি?

⇨ গৃহ নং কিমান?

⇨ ২ নং গৰাকীৰ ঠিকনা কি?

⇨ গৰাকীৰ নাম কি?
⇨ গৃহ নং কিমান?
⇨ ১ নং গৰাকীৰ ঠিকনা কি?

**পোষ্টাৰৰ** বাবে নিৰ্ধাৰিত প্ৰশ্ন ঃ—
⇨ কাক সন্মান কৰিব লাগে?
⇨ সময়ৰ ব্যৱহাৰ কেনেকৈ কৰিব লাগে?
⇨ চেষ্টা কৰিলে কি হয়?
⇨ 'অভ্যাসৰ নৰ, কৰ্ণ পথে মাৰে শৰ' বুলিলে কি বুজা?

**নিৰ্দেশনা কাৰ্ডৰ** বাবে নিৰ্ধাৰিত প্ৰশ্ন ঃ—
⇨ য'তে-ত'তে কি পেলাব নালাগে?
⇨ কি কথা ক'বা?
⇨ পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিলে কি হয়?
⇨ কেনে পানী খাব লাগে? বিশুদ্ধ পানী খালে কি হয়।

এইদৰে শুদ্ধ উত্তৰ নোপোৱালৈ প্ৰশ্নবোৰ সুধিব লাগে। শুদ্ধ উত্তৰ পোৱাৰ পাছত, বুজি পোৱাটো নিশ্চিত হ'লে মান নিৰূপন কৰি গৃহ কৰ্ম দিব লাগে।

ছবি পৰ্যৱেক্ষণ কৰি একাদিক্ৰমে কোৱাৰ বাবে পাঠ্যপুথিৰ ১২ নং পাঠটো সকলো ছাত্ৰ-ছাত্ৰীক উলিয়াই চাবলৈ দি, একাদিক্ৰমে পঢ়িবলৈ দি প্ৰশ্ন সুধিব পাৰি।

*বিঃদ্ৰঃ - শ্ৰেণী কোঠাত থকা বিশেষ ভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীক বিশেষভাৱে গুৰুত্ব দিব লাগে।*

**সাৰাংশ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰযুক্ত শব্দ ভাঙি আৰু গঠন কৰি পঢ়িব পাৰিব।
⇨ পাঠৰ অন্তৰ্গত আৰু পাঠ বহিৰ্ভূত পাঠৰ যুক্তাক্ষৰযুক্ত বাক্য, দফা আদি পঢ়িব পাৰিব।
⇨ পাঠৰ অন্তৰ্ভূক্ত আৰু পাঠ বহিৰ্ভূত পাঠৰ সহজ সৰল গল্প, সাধু, কাহিনী, বাতৰি-কাকত আদি পঢ়িব পাৰিব আৰু বুজিব পাৰিব আৰু সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব।
⇨ নামফলক, পোষ্টাৰ, নিৰ্দেশনাকাৰ্ড আদি পঢ়ি বুজি পাব।
⇨ ছবি পৰ্যৱেক্ষণ কৰি পঢ়ি বুজিব পাৰিব।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁ আহক —
⇨ বাতৰি-কাকতৰ সাধু, আলোচনীৰ কাহিনী (আবিষ্কাৰমূলক) আদি পঢ়ি তাত থকা যুক্তাক্ষৰবোৰ শুদ্ধভাৱে উচ্চাৰণ কৰি পঢ়া।
⇨ ঈছপৰ সাধু, পঞ্চতন্ত্ৰৰ সাধুবোৰৰ পৰা বাছি এটা এটাকৈ পঢ়ি নীতি শিক্ষা কি পালে সুধিব পাৰি।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

⇨ পাঠ্যপুথিত থকা 'অসমৰ কাঁহ শিল্প' পাঠৰ দফা এটা বাছি পঢ়া।
⇨ বাতৰি-কাকত, আলোচনীৰ গল্প, আবিষ্কাৰমূলক কাহিনী আদি **শিকন কোণৰ** পৰা লৈ পঢ়া।
⇨ অভিধান চাই তলত দিয়া শব্দবোৰৰ অৰ্থ উলিয়াই পঢ়া— ফৰিংফুটা, সাদৃশ্য, মসৃণ, ক্ষণস্থায়ী, মহাত্মা।
⇨ পাঠ্যপুথিৰ যিকোনো এটা সাধু পঢ়ি কি বুজিলা কোৱা।
⇨ ঈছপৰ সাধু, পঞ্চতন্ত্ৰৰ সাধুৰ পৰা যিকোনো সাধু পঢ়ি নীতি শিক্ষা কি পালা কোৱা।
⇨ তোমাৰ ঘৰৰ নামফলকটো লিখি পঢ়া।
⇨ তলত দিয়া বিষয় দুটাৰ বিষয়ে পোষ্টাৰ আৰু নিৰ্দেশনা কাৰ্ড প্ৰস্তুত কৰি পঢ়া —
'প্ৰদুষণ', 'পানী'

➩ তলত দিয়া ছবিবোৰ পৰ্যৱেক্ষণ একাদিক্ৰমে পঢ়া আৰু কোৱা।







**প্ৰসঙ্গপুথি —**


ক) অংকুৰণ (চতুৰ্থ ভাগ)।

খ) চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।

গ) বাতৰি-কাকত।

ঘ) ঈছপৰ সাধু -অতুলচন্দ্ৰ হাজৰিকা।

ঙ) পঞ্চতন্ত্ৰৰ সাধু -

ছ) অসমীয়া ভাষাৰ ব্যাকৰণ - উপেন্দ্ৰনাথ গোস্বামী।


***